**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 26-12-2025

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১। ৰাভা, মিছিং আৰু তিৱা জনগোষ্ঠীৰ প্ৰতিনিধি গোটৰে বৈঠকত ভাগ লৈ গৃহমন্ত্ৰী অমিত শ্বাহৰ শীঘ্ৰে তেওঁলোকৰ সমস্যা সমাধানৰ আশ্বাস ।

২। পশ্চিম কাৰ্বি আংলংৰ খেৰণিৰ ঘটনা সন্দৰ্ভত দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্বি জনগোষ্ঠীৰ প্ৰতিনিধিৰে জৰুৰী বৈঠক।

৩। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দুদিনীয়াকৈ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা। ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনৰ অংশগ্ৰহণ।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ পৰা যোৰহাটৰ আইশী প্ৰিশা বৰাৰ ৰাষ্ট্ৰীয় বীৰ বাল পুৰস্কাৰ গ্ৰহণ। আইশী প্ৰিশাক মুখ্যমন্ত্ৰীৰ অভিনন্দন। *আৰু*

৫। অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিনা কবি, গীতিকাৰ, কেশৱ মহন্তলৈ জন্ম শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নতুন দিল্লীত আজি অসমৰ ৰাভা, মিছিং আৰু তিৱা জনগোষ্ঠীৰ এটা প্ৰতিনিধি গোটৰ সৈতে বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ প্ৰতিনিধিৰ দাবীসমূহ শুনাৰ লগতে প্ৰকৃত সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। এই বৈঠকতে গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ সমস্যা সৌহাদ্যপূৰ্ণ তথা দীৰ্ঘম্যাদিভাৱে সমাধান কৰিবৰ বাবে এগৰাকী জ্যেষ্ঠ বিষয়াক নিয়োগ কৰিব বুলি প্ৰকাশ কৰে।

ooooo

পশ্চিম কাৰ্বি আংলংৰ খেৰণিত সংঘটিত ঘটনা সন্দৰ্ভত দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। বৈঠকত কাৰ্বি জনগোষ্ঠীৰ কেইবাটাও দল সংগঠনৰ প্ৰতিনিধিয়ে ভাগ লয়। বৈঠকখনত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, অসম আৰক্ষীৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াৰ লগতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও অংশ লয়।

ooooo

গুৱাহাটীৰ **শ্ৰীমন্ত শংকৰদেৱ** কলাক্ষেত্ৰৰ **শ্ৰীমন্ত শংকৰদেৱ** আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈছে। ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত আজি দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীনে অংশগ্ৰহণ কৰে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীক মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও মন্ত্ৰী তথা ভালেমান নেতা-কৰ্মীয়ে বিপুল আদৰণি জনায়। বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীয়ে ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভাৰ উদ্বোধনী সত্ৰত ভাষণ প্ৰদান কৰে। উদ্বোধনী সত্ৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাষ্ট্ৰীয় উপাধ্যক্ষ বৈজন্ত জয়পাণ্ডা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ আৰু ৰাজ্যিক সাংগঠনিত সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু উপস্থিত থাকে।

০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত আজি প্ৰেছ ক্লাবৰ প্ৰাংগনত প্ৰথমখন মহিলা সাংবাদিক সন্মিলন অনুষ্ঠিত হৈ যায়। বহুসংখ্যক মহিল সাংবাদিকৰ উপস্থিতিত প্ৰেছ ক্লাব অফ ইণ্ডিয়াৰ নৱ-নিৰ্বাচিত সভাপতি সংগীতা বৰুৱা পিছাৰৌটিয়ে এই সন্মিলনখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণ প্ৰদান কৰি সভাপতি পিছাৰৌটিয়ে কয়, যে সাংবাদিক হৈছে সাংবাদিকৰ লগত লাগি থকা পেছা। সাংবাদিকৰ প্ৰধান কৰ্তব্য হৈছে ভয় আৰু শংকাবিহীনভাৱে সাধাৰণ মানুহৰ হকে প্ৰশ্নৰ উত্থাপন কৰা।

-বাইট-

এই অনুষ্ঠানত বহুকেইজন বিশিষ্ট সাংবাদিক উপস্থিত থাকে। উল্লেখযোগ্য যে, উদ্বোধনী অনুষ্ঠানৰ পাছতে **মোৰ জীৱন-মোৰ কাহিনী, মই আৰু মোৰ সাংবাদিকতা** আৰু **কৰ্মক্ষেত্ৰত মহিলা সাংবাদিকৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনা** শীৰ্ষক তিনিখন আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত বহুকেইগৰাকী মহিলা সাংবাদিকে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাৰ সুযোগ পায়। আজি অনুষ্ঠিত এই অনুষ্ঠানত অসম চৰকাৰৰ পৰা যুৱ লেখকৰ বঁটাৰে সন্মানিত হোৱা সাংবাদিকসকলক গুৱাহাটী প্ৰেছ ক্লবৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

০০০০০

অসম সাহিত্য সভাই পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ গুৱাহাটীত থকা ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে কয়, যে এই সংঘৰ্ষই ৰাজ্যৰ সামাজিক সম্প্ৰীতি আৰু ভাতৃত্ববোধত আঘাত হানিছে। সাহিত্য সভা খেৰণিৰ ঘটনাত ক্ষতিগ্ৰস্ত হোৱা কাৰ্বি সমাজৰ সৈতে থাকিব বুলি প্ৰকাশ কৰি শ্ৰীগোস্বামীয়ে কয় যে দুই এদিনৰ ভিতৰতে নিজাববীয়াকৈ পৰিস্থিতিৰ বুজ ল'বলৈ অসম সাহিত্য সভাৰ এটা প্ৰতিনিধি দল কাৰ্বি আংলংলৈ ৰাওনা হ'ব। লগতে পশ্চিম কাৰ্বি আংলং জিলাৰ প্ৰশাসনকো ঘটনাটোৰ সকলো দিশ সুক্ষ্মভাৱে বিচাৰ বিবেচনা কৰি ন্যায়সংগত ব্যৱস্থা লবলৈ আহ্বান জনায়। অসম সাহিত্য সভাই সকলো ৰাজনৈতিক দল, সামাজিক সংগঠন, বৌদ্ধিক সমাজ আৰু সাধাৰণ নাগৰিকক একেলগে আগবাঢ়ি আহি শান্তি স্থাপন কৰিবলৈ এই সংবাদমেলযোগে আহ্বান জনায়।

-বাইট-

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বীৰ বাল দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰে। চলিত বৰ্ষত ১৮খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উল্লেখিত সাফল্য প্ৰদৰ্শন কৰা ২০গৰাকী শিশুক এই পুৰস্কাৰ প্ৰদান কৰা হয়। অসমৰ যোৰহাটৰ আইচি পি. বৰাই বাল পুৰস্কাৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ পৰা গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰাপক আইশী প্ৰিশা বৰাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে অভিনন্দন জ্ঞাপন কৰে। আইশীয়ে প্ৰাকৃতিক কৃষি আৰু আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ কৰা প্ৰকল্প ৰূপায়ণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ বাৰ্তাটোত কয় যে নিচেই কম বয়সৰ পৰাই বহনক্ষম পদ্ধতিৰ প্ৰসাৰৰ বাবে আইশীৰ প্ৰচেষ্টা প্ৰশংসনীয় আৰু এই প্ৰচেষ্টাই আমাৰ যুৱক-যুৱতীসকলক দৈনন্দিনত বহনক্ষম পদ্ধতি গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব।

নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানটোত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই বঁটাই বঁটা প্ৰাপকসকলক উৎসাহিত কৰাৰ লগতে সমগ্ৰ দেশৰ শিশুসকলক অনুপ্ৰাণিত কৰে। বঁটাপ্ৰাপ্ত শিশুসকলে সাহসিকতা, কলা আৰু সংস্কৃতি, পৰিৱেশ, উদ্ভাৱন আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ বিভিন্ন খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বীৰ বাল দিৱস পালন কৰা হয়। হোজাই জিলাৰ লংকাত বাছ আস্থানৰ সমীপত হোজাই জিলা বিজেপিৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে বীৰ বাল দিৱস অনুষ্ঠিত হয়।

০০০০০

অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিন। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত পৰহিৰে পৰা অনুষ্ঠিত গ্ৰন্থমেলাত আজি অসম প্ৰকাশন পৰিষদে ছপা কৰি উলিওৱা **কেশৱ মহন্তৰ ৰচনাৱলী** নামৰ পুথিখন উন্মোচন কৰা হয়। বিশিষ্ট অভিধান প্ৰণেতা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই সম্পাদন কৰা গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট সংগীত শিল্পী ৰমেন চৌধুৰীয়ে কয়, যে কেশৱ মহন্তই গীত আৰু কবিতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি নিৰন্তৰ সাধনাৰে এই দিশত নতুন মাত্ৰা প্ৰদান কৰিছিল। মানুহৰ জীৱন সংগ্ৰাম, অসমৰ মাটি-প্ৰকৃতিৰ কথাৰে সমৃদ্ধ হোৱা কেশৱ মহন্তৰ সৃষ্টি সত্তাৰ বিষয়ে উল্লেখ কৰি কেশৱ মহন্ত ৰচনাৱলী সম্পাদন কৰাটো এক মনোৰম অভিজ্ঞতা বুলি শ্ৰীচলিহাই উল্লেখ কৰে। ৰচনাৱলীৰ এই প্ৰথম খণ্ডত কেশৱ মহন্তৰ গীত, কবিতা আৰু ১২ খন সংগীতালেখ্য সন্নিৱিষ্ট কৰা হৈছিল। গ্ৰন্থমেলাৰ আজি তৃতীয় দিনাৰ সবিশেষ জনাইছে আমাৰ সংবাদদাতাই -

-বাইট-

সাহিত্য সমালোচক তথা নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক অৰিন্দম বৰকটকীৰ সঞ্চালনাত কবি, **গীতিকাৰ কেশৱ মহন্তৰ গীত মাধুৰ্য্য** শীৰ্ষক আলোচনা অনুষ্ঠিত হৈ যায়। এই আলোচনাত কবি-সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° এম কামালুদ্দিন আহমেদ আৰু লেখক, সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠই অতিথি আলোচক হিচাপে অনুষ্ঠানত অংশ লয়।

০০০০০

৯১ সংখ্যক মাৰোৱাৰী সন্মিলনৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি শিৱসাগৰৰ খেমকা মাতৃ সদনত এক বিনামূলীয়া বহুমূত্ৰ পৰীক্ষা শিৰিৰৰ আয়োজন কৰা হয়। মাৰোৱাৰী সন্মিলনৰ উদ্যোগত তথা কেডিয়া মেডিকেলৰ সহযোগত অনুষ্ঠিত এই শিৰিৰত স্থানীয় বহু বহুমূত্ৰ ৰোগীয়ে স্বাস্থ্য পৰীক্ষাৰ সুবিধা গ্ৰহণ কৰে। এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে নগৰৰ পদপথবাসীসকলৰ মাজত গৰম কাপোৰ বিতৰণৰ ব্যৱস্থা কৰা হয়।

ooooo

ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত চিত্ৰশিল্পী ৰাতুমণি দাসৰ প্ৰচেষ্টাত ২০১৯ চনত তেজপুৰত আৰম্ভ হোৱা যাত্ৰাৰ ১১ সংখ্যক চিত্ৰ প্ৰদৰ্শনী আজিৰে পৰা ২৮ ডিচেম্বৰলৈ অনুষ্ঠিত হৈছে। এই প্ৰদৰ্শনীত অনুষ্ঠিত হ'বলগীয়া কেইবাখনো কৰ্মশালাত পদ্মভূষণ যতীন দাস, আন্তঃৰাষ্ট্ৰীয় শিল্পী অমিত দত্তকে ধৰি কেইবাজনো শিল্পী সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত শিল্পী তথা চৰকাৰী চাৰুকলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ তামুলীয়ে আজি এই প্ৰদৰ্শনীখন উদ্বোধন কৰে। তেওঁৰ লগত অসমৰ প্ৰাক্তন শিক্ষা মন্ত্ৰী বৃন্দাবন গোস্বামী আৰু গুৱাহাটী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা লেখক ড০ ধৰণী লাহন বিশেষ অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে, প্ৰদৰ্শনীখনত ভাৰতৰ আগশাৰীৰ চিত্ৰশিল্পী আৰু বৰ্তমান ফিলিপাইনছৰ ৰাজধানী মেনিলাৰ বিখ্যাত জাৰ্মান ইউৰোপীয় স্কুলৰ ভিজুৱেল আৰ্টছ বিভাগৰ মুৰব্বী সন্তোষ কুমাৰে অংশগ্ৰহণ কৰিছে।

ooooo

বিশ্বনাথৰ জিলা আয়ুক্তই আজি জিলা চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ চিকিৎসা বিষয়া আৰু চিকিৎসা কৰ্মীসকলক লগ ধৰি বিভিন্ন বিষয়ৰ বুজ লয় আৰু লগতে বহিঃবিভাগ, আয়ুষ্মান কাৰ্য্যালয়, পুষ্টি পুনৰ্বাসন কেন্দ্ৰ, নৱ-জাতকৰ বিশেষ সুৰক্ষা কেন্দ্ৰ, অস্ত্ৰোপচাৰৰ কক্ষ, প্ৰসূতি কক্ষ, পৰীক্ষাগাৰ, এক্সৰে কক্ষ আদিৰ লগতে চিকিৎসালয়খনৰ বিভিন্ন বিভাগ পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে চিকিৎসালয়খনৰ ঔষধালয় পৰিদৰ্শন কৰি পৰ্য্যাপ্ত ঔষধ মজুত ৰাখিবলৈও চিকিৎসা বিষয়াসকলক নিৰ্দেশ দিয়ে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি  ৫ মিনিটত প্ৰচাৰ হোৱা মাজুলী জিলাৰ মীন বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি সন্দৰ্ভত জিলাখনৰ মীন বিষয়া ভদ্ৰেশ্বৰ মিলিৰ সৈতে হোৱা এটি সাক্ষাৎকাৰটো নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছিল আমাৰ মাজুলী জিলাৰ সংবাদদাতা বিকাশ শইকীয়াই।

ooooo

চিৰাং জিলাৰ বিজনীৰ বৰলাওঁ গাঁৱৰ বীৰাঙ্গনা ঠেংফাখ্ৰী পথাৰত সমাগত ২০২৬ চনৰ ৯ জানুৱাৰীৰ পৰা ৩ দিনীয়াকৈ বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক বাৰ্ষিক অধিবেশনখনি অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ সৈতে সংগতি ৰাখি হ'বলগীয়া অধিবেশনস্থলীত আজি বড়ো বীৰাঙ্গনা ঠেংফাখ্ৰীৰ এটা প্ৰতিমুৰ্তিৰ আধাৰশিলা স্থাপন কৰা হয়। বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগঞাৰীয়ে বড়ো বীৰাঙ্গনাগৰাকীৰ প্ৰতিমুৰ্তিৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানটোত ৬৫ সংখ্যক বড়ো সাহিত্য সভাৰ আদৰণি সমিতিৰ সভাপতি

কমল সিং নাৰ্জাৰী, মুখ্য আহ্বায়ক শুক্লেশ্বৰ বসুমতাৰীসহ আদৰণি সমিতিৰ বিষয়ববীয়াৰ লগতে স্থানীয় লোক উপস্থিত থাকে।

ooooo

তামুলপুৰ জিলাৰ চেঁচাপানীত আজি তামুলপুৰ জিলা প্ৰশাসন আৰু বাক্সা বন সংমণ্ডলৰ উদ্যোগত হাতী-মানুহৰ সংঘাত সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হৈ যায়। সভাখনত তামুলপুৰ জিলাৰ আয়ুক্ত, জিলাখনৰ বন বিভাগৰ বিষয়াৰ লগতে বহুকেইটা স্বেচ্ছাসেৱী সংস্থাৰ বিষয়-ববীয়াই হাতী-মানুহৰ সংঘাত দূৰীকৰণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাখনত হাতীৰ খাদ্যৰ বাবে খেতি কৰা তথা ভাৰত-ভূটান সীমান্তৰ অঞ্চলসমূহত অধিক মাত্ৰাত গছপুলি ৰোপণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাখনতবন বিভাগৰ তৰফৰ পৰা ৰাইজৰ মাজত উন্নত মানৰ টৰ্চ লাইট বিতৰণ কৰা হয়। লগতে বনৰীয়া হাতীৰ উপদ্ৰৱত নষ্ট হোৱা ধানখেতিৰ ক্ষতিপূৰণ তথা হাতীৰ আক্ৰমণত নিহত হোৱা লোকৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা শীঘ্ৰেই ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলিও উপস্থিত ৰাইজক জানিবলৈ দিয়া হয়।

ooooo

বঙাইগাওঁ জিলাৰ আয়ুক্ত হিচাপে কৰ্মৰত নৱদীপ পাঠকক ৰাজ্য চৰকাৰে সাম্প্ৰতিক প্ৰশাসনিক পুনৰবিন্যাসৰ অংশ হিচাপে ধুবুৰী জিলাৰ আয়ুক্ত হিচাপে নিযুক্তি প্ৰদান কৰিছে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে জাৰি কৰা এখন অধিসূচনা অনুসৰি ধুবুৰী জিলাৰ বৰ্তমানৰ আয়ুক্ত দীবাকৰ নাথক বদলি কৰি বঙাইগাওঁ জিলাৰ আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

ooooo

ধেমাজি জিলাৰ গোগামুখ নিবাসী বিশিষ্ট সাংবাদিক, লেখক, সমাজকৰ্মী অতুল বৰুৱাৰ আজি পুৱা প্ৰায় ৮ বজাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। দীৰ্ঘদিন ধৰি কেইবাটাও ৰোগত আক্ৰান্ত হৈ থকা বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল প্ৰায় ৫৪ বছৰ। অসমৰ বহুকেইখন বাতৰি কাকতৰ সৈতে সাংবাদিক হিচাপে সেৱা আগবঢ়াই অহা বৰুৱাই পত্নীৰ লগতে এটি পুত্ৰ আৰু এগৰাকী কন্যাক ইহ সংসাৰত এৰি থৈ যায়।

ooooo

সমাপ্ত